জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪০/২০২০

**অসম-মিজোৰাম সীমান্তৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে জনতা ভৱনত মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক**

# অসম-মিজোৰাম সীমান্তৰ পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ টেলিফোনিক বাৰ্তালাপ

**দিছপুৰ, ৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম-মিজোৰাম সীমান্তৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে দুয়োখন ৰাজ্যৰ সীমান্তৰ পৰিস্থিতি সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক সবিশেষ অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্য দুখনৰ মাজত শান্তিপূৰ্ণ পৰিস্থিতি অটুট ৰখাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈও অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই সম্পৰ্কত ভাৰত চৰকাৰে যি নীতি-নিৰ্দেশনা জাৰি কৰিব অসম চৰকাৰে সেই অনুসৰি কাম কৰিব যাব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীক আশ্বাস প্ৰদান কৰে।

আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অসম-মিজোৰাম সীমান্তৰ শেহতীয়া পৰিস্থিতিৰ সবিশেষ পৰ্যালোচনা কৰে। বৈঠকত মুখ্য সচিব জিষ্ণু বৰুৱাই শেহতীয়া পৰিস্থিতি সম্পৰ্কে মুখ্যমন্ত্ৰীক সবিশেষ অৱগত কৰে। আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই আইন-শৃংখলা পৰিস্থিতি সঠিক কৰি ৰখাৰ বাবে আৰক্ষী বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে অসম-মিজোৰাম সীমান্তত শান্তিপূৰ্ণ পৰিৱেশ আৰু ভাতৃত্ববোধৰ বান্ধোন অটুট ৰখাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰ, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং, গৃহ বিভাগৰ আয়ুক্ত-সচিব জি ডি ত্ৰিপাঠী প্ৰমুখ্যে আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**৭/১১/২০২০**